**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-12-2024
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

**----------------------**

ৰাজ্য চৰকাৰে আধাৰ কাৰ্ড প্ৰদান ব্যৱস্থা অধিক কঠোৰ কৰি তোলাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। গুৱাহাটীৰ লোকসেৱা ভৱনত কালি অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত এই সন্দৰ্ভত গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ অন্তত এখন সংবাদমেল সম্বোধন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, যে কোনো সন্দেহযুক্ত নাগৰিকে যাতে ৰাজ্যত আধাৰ কাৰ্ড ল'ব নোৱাৰে তাৰবাবে মন্ত্ৰীসভাই আধাৰ প্ৰদানৰ ব্যৱস্থা অধিক কটকটীয়া আৰু কঠোৰ কৰি তোলাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। জিলা আয়ুক্তই এতিয়াৰে পৰা আধাৰৰ পুনৰীক্ষণৰ তদাৰক কৰাৰ বাবে প্ৰত্যেকখন জিলাত একোজন অতিৰিক্ত জিলা আয়ুক্তক দায়িত্ব দিব। একেদৰে এতিয়াৰে পৰা আধাৰৰ বাবে আৱেদন কৰা এজন লোকৰ নথিপত্ৰ আদি পুনৰীক্ষণৰ বাবে চক্ৰ বিষয়াসকল দায়বদ্ধ হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে কোনো ব্যক্তিয়ে আধাৰৰ বাবে আৱেদন কৰাৰ প্ৰথম পৰ্যায়তে চক্ৰ বিষয়াজনে এন আৰ চি প্ৰণয়নৰ সময়ত সেই ব্যক্তিজন, পৰিয়াল বা তেওঁৰ পিতৃ-মাতৃয়ে এন আৰ চিৰ বাবে আৱেদন কৰিছিল নে নাই সেই দিশটো চালি-জাৰি চাব লাগিব। যদিহে ব্যক্তিজনে আৱেদন কৰা নাছিল তেতিয়াহ'লে আধাৰৰ বাবে তেওঁ কৰা আৱেদনখন প্ৰতাখ্যান হ'ব আৰু সেই বিষয়ে কেন্দ্ৰীয় চৰকাৰক অৱগত কৰা হ'ব। অৱশ্যে ২০১৪ চনৰ পাছত ৰাজ্যলৈ অহা কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ ক্ষেত্ৰত এই নিয়ম প্ৰযোজ্য নহ'ব।

মন্ত্ৰীসভাৰ বৈঠকত কালি ভূমিৰ খাজনা আদায় দিয়াৰ বিষয়েও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই অনুসৰি ডিজিটেল ব্যৱস্থাৰে ভূমিৰ খাজনা আদায় দিয়াৰ লগতে পূৰ্বৰ দৰে মৌজাদাৰ কাৰ্যালয়ত গৈও খাজনা আদায় দিব পৰা যাব। মন্ত্ৰীসভাই লগতে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত নামঘৰ, মন্দিৰ, বিদ্যালয়, ক্লাৱ, মহিলা সংঘ, সামাজিক অনুস্থান আদিক মাটিৰ পট্টা প্ৰদান ব্যৱস্থাও কিছু সৰল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই অনুসৰি এই সামাজিক অনুষ্ঠানসমূহক ছ'চাইটী পঞ্জীয়ন কৰোতে ৩ বছৰৰ অডিট প্ৰতিবেদন দাখিল ব্যৱস্থাৰ আওতাৰ পৰা বাহিৰত ৰখা হৈছে। মন্ত্ৰীসভাই লগতে ছ'চাইটীৰ পঞ্জীয়ন নবীকৰণৰ মাছুল আদায় দিব নোৱৰাৰ বাবে দিবলগীয়া জৰিমণা ৰেহাই দিয়াৰো সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাই ভূটান ৰজাৰ আমন্ত্ৰণ মৰ্মে ১৭ ডিচেম্বৰত তেওঁ ভূটানৰ ৰাষ্ট্ৰীয় দিৱসত অংশগ্ৰহণ কৰিব বুলি প্ৰকাশ কৰে। এই যাত্ৰাৰ সময়তে ভূটানৰ সৈতে ৰাজ্যৰ অৰ্থনৈতিক সহযোগিতা বৃদ্ধিৰ বাবে জলসিঞ্চন, খোৱাপানী আঁচনি আৰু শক্তি আহৰণ সম্পৰ্কে ভূটান চৰকাৰৰ সৈতে আলাপ-আলোচনা কৰিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০

ৰাজ্য চৰকাৰৰ উদ্যোগত কালিৰে পৰা শিক্ষা, ৰাজহ, উদ্যোগ আৰু বিত্ত বিভাগৰ জৰিয়তে প্ৰতিখন জিলাতে **বিকাশৰ ১২ দিন** শীৰ্ষক উন্নয়ন কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হৈছে। বজালী জিলাৰ ভগৱতী ক্ষেত্ৰত দিনৰ ১১ বজাত আজি মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে জিলাখনৰ বিকাশৰ ১২ দিন কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। জিলাখনৰ ৮৫৫ গৰাকী শিক্ষাৰ্থীক প্ৰজ্ঞান ভাৰতী আঁচনিৰ ড০ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত স্কুটী

বিতৰণ কৰা হ'ব। মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত জিলাখনৰ নৱম শ্ৰেণীত অধ্যয়নৰত এহেজাৰ ৯৭৬ গৰাকী শিক্ষাৰ্থীক চাইকেল বিতৰণ কৰাৰ লগতে আনন্দৰাম বৰুৱা বঁটাৰ অধীনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা ৬০৪ গৰাকী শিক্ষাৰ্থীক নগদ ধনৰ পুৰস্কাৰ প্ৰদান কৰা হ'ব।

নলবাৰী জিলাৰ চৰকাৰী গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই জিলাখনৰ বিকাশৰ ১২ দিন কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। জিলাখনৰ এহেজাৰ ৮৪৯ গৰাকী শিক্ষাৰ্থীক প্ৰজ্ঞান ভাৰতী আঁচনিৰ ড০ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত স্কুটী বিতৰণ কৰা হ'ব। মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত জিলাখনৰ নৱম শ্ৰেণীত অধ্যয়নৰত ৮ হাজাৰ ৯৭০ গৰাকী শিক্ষাৰ্থীক চাইকেল বিতৰণ কৰাৰ লগতে আনন্দৰাম বৰুৱা বঁটাৰ অধীনত এহেজাৰ ৩৭৬ গৰাকী শিক্ষাৰ্থীক নগদ ধনৰ পুৰস্কাৰ প্ৰদান কৰা হ'ব।

গোলাঘাট জিলাৰ সমন্বয় ক্ষেত্ৰত মন্ত্ৰী অজন্তা নেওগ আৰু অতুল বৰাই বিকাশৰ ১২ দিন কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। জিলাখনৰ এহেজাৰ ৫৮৪ গৰাকী শিক্ষাৰ্থীক প্ৰজ্ঞান ভাৰতী আঁচনিৰ ড০ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত স্কুটী বিতৰণ কৰা হ'ব। মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীত অধ্যয়নৰত ১০ হাজাৰ ১১৪ গৰাকী শিক্ষাৰ্থীক চাইকেল বিতৰণ কৰাৰ লগতে আনন্দৰাম বৰুৱা বঁটাৰ অধীনত জিলাখনৰ এহেজাৰ ৯১০ গৰাকী শিক্ষাৰ্থীক নগদ ধনৰ পুৰস্কাৰ প্ৰদান কৰা হ'ব।

০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে ইয়াৰ বাতৰি আৰু আন অনুষ্ঠান সম্পৰ্কত শ্ৰোতাসকলৰ পৰা পোনপটীয়াকৈ মতামত, অভিযোগ আৰু পৰামৰ্শ লোৱাৰ ব্যৱস্থা কৰিছে। ইয়াৰ বাবে ৯৮৬৪০-৫৫৫৬৬ নম্বৰৰ Whatsapp যোগে মতামত গ্ৰহণৰ ব্যৱস্থা মুকলি কৰা হৈছে। শ্ৰোতাসকলৰ পৰা লাভ কৰা টেক্সট বা ভইচ বাৰ্তাৰ আধাৰত প্ৰতিমাহে একোটাকৈ অনুষ্ঠান প্ৰচাৰৰো দিহা কৰা হৈছে। অহা শনিবাৰ ১৪ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত ইয়াৰ প্ৰথম খণ্ড প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠান চলি থকাৰ সময়তো আগ্ৰহী শ্ৰোতাই ২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ এই দুটা নম্বৰত অভিমত আৰু প্ৰশ্ন উত্থাপন কৰিব পাৰিব।

শ্ৰোতাসকলে আমাৰ ফেচবুক পেজ **এয়াৰ নিউজ গুৱাহাটী** আৰু **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইচ ৱাইত** কমেণ্ট কৰিও মতামত আৰু প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব।

০০০০০০

সমাপ্ত